**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————————

১। দেশৰ অন্যান্য প্ৰান্তৰ বিকাশৰ সমান্তৰালকৈ উত্তৰ-পূবৰ ৰাজ্যসমূহৰ সম উন্নয়নৰ প্ৰয়োজন বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নীতি আয়োগৰ বৈঠকত প্ৰকাশ।

২। ভৌগলিক সূচ্যাংক লাভ কৰা তেজপুৰৰ লিচু ছিংগাপুৰলৈ ৰপ্তানীৰ শুভাৰম্ভ।

৩। মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত আজি লোকসেৱা ভৱনত ৰাজ্যিক মন্ত্ৰীসভাৰ তৃতীয়খন বৈঠক।

৪। প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ আৱাসীক প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি। ***আৰু***

৫। ফিফা বিশ্বকাপত যোৱানিশা কানাডা আৰু ব’ছনিয়া—হাৰ্জেগভিনাৰ মাজৰ খেলখন ১-১ গ’লত ড্ৰ’।

000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেশৰ অন্যান্য প্ৰান্তৰ বিকাশৰ সমান্তৰালকৈ উত্তৰ-পূবৰ ৰাজ্যসমূহৰ সম উন্নয়নৰ প্ৰয়োজন বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু মুখ্য সচিবসকলক লৈ অনুষ্ঠিত নীতি আয়োগৰ বিশেষ বৈঠকত কালি মুখ্যমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক উন্নয়ন আৰু আঞ্চলিক বৈষম্য দূৰীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে প্ৰতিখন ৰাজ্যৰ সম-উন্নয়ন নহ’লে আঞ্চলিক বৈষম্য বৃদ্ধি পোৱাৰ অৱকাশ থাকি যাব পাৰে। এইক্ষেত্ৰত নীতি আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ শক্তি আৰু সম্ভাৱনীয়তা অনুসৰি নীতি প্ৰস্তুত কৰিব লাগে বুলি ড° শৰ্মাই মত ব্যক্ত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা বৃহস্পতিবাৰে কেন্দ্ৰীয় চৰকাৰ, অসম আৰু নাগালেণ্ডৰ মাজত সম্পন্ন হোৱা ঐতিহাসিক চুক্তিৰ প্ৰসংগ উত্থাপন কৰি দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলত থকা হাইড্ৰ’কাৰ্বনৰ দৰে প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বাবে ৰাজ্য চৰকাৰ দুখন ঐক্যমতত উপনীত হোৱাৰ কথা প্ৰকাশ কৰে।

000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ভৌগলিক সূচ্যাংক লাভ কৰা তেজপুৰৰ লিচু ছিংগাপুৰলৈ ৰপ্তানীৰ শুভাৰম্ভ কৰে। ছিংগাপুৰলৈ সুস্বাদু পিঁয়াজী প্ৰজাতিৰ ৫০০ কিলোগ্ৰাম লিচু ৰপ্তানী কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰ আগত কয়, যে তেজপুৰৰ লিচুৱে বিগত কেইটামান বছৰত আন্তঃৰাষ্ট্ৰীয় বজাৰত স্থান পাবলৈ সক্ষম হৈছে। কিছুদিনৰ আগতে কৃষি আৰু সংসাধিত খাদ্য-সামগ্ৰী ৰপ্তানী উন্নয়ন পৰিষদ, এপেডাৰ জৰিয়তে ডুবাইলৈ এহেজাৰ কিলোগ্ৰাম লিচু ৰপ্তানি কৰা হৈছিল বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে উপযুক্ত পৰিকল্পনা আৰু বহনক্ষম প্ৰচেষ্টাৰ জৰিয়তে অসমে লিচু, কাজি নেমু আৰু ভোট জলকীয়াকে ধৰি কেতবোৰ কৃষি সামগ্ৰী আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ প্ৰেৰণ কৰিব পাৰি। তেওঁ লগতে এনে পদক্ষেপে অনাগত সময়ত কৃষকসকলক উৎসাহিত কৰাৰ উপৰি লিচুৰ খেতি বৃদ্ধি কৰিব বুলি উল্লেখ কৰে। শেহতীয়াকৈ

ডুবাইলৈ লিচু ৰপ্তানীৰ পাছতে ছিংগাপুৰৰ বজাৰলৈ লিচুৰ প্ৰেৰণে অসমৰ উৎকৃষ্ট মানৰ কৃষি সামগ্ৰীৰ আন্তঃৰাষ্ট্ৰীয় চাহিদা বৃদ্ধি পোৱাকে সূচায় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অসমৰ কৃষকক বিশ্ব বজাৰৰ সৈতে সংযোগ ঘটোৱা, কৃষিজাত উৎপাদনক অধিক মূল্য সংযোজনৰ সুযোগ দিয়া তথা উৎকৃষ্টমানৰ সামগ্ৰীসমূহক আন্তৰ্জাতিক পৰ্যায়ত চিনাকি কৰি দিয়াৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি লোকসেৱা ভৱনত ৰাজ্যিক মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হ'ব। দিনৰ ১১ বজাৰপৰা হ'বলগীয়া বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ড° শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ এইখন তৃতীয়খন বৈঠক।

oooooo

গুৱাহাটীৰ লালমাটিত থকা ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানত প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে ৪ দিনীয়াকৈ আয়োজন কৰা আৱাসীক প্ৰশিক্ষণ কাৰ্যসূচী কালি সফলতাৰে সামৰণি পৰে। যোৱা ৯ জুনৰ পৰা অনুষ্ঠিত এই ৪ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ সময়ছোৱাত বিভিন্ন জিলাৰ ৪৪ গৰাকী বিষয়া আৰু অসম লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ ১৫ গৰাকী বিষয়াকে ধৰি মুঠ ৫৯ গৰাকী বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষকসকলে পৰৱৰ্তী সময়ত এহেজাৰ ১০৯ গৰাকী ক্ষেত্ৰ প্ৰশিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰিব।

২০২৭ চনৰ লোকপিয়লৰ ফলপ্ৰসূ পৰিচালনাৰ বাবে ৰাজ্যজুৰি ৮৩ হাজাৰ ৫৩৫ গৰাকী গণনাকাৰী আৰু তত্বাৱধায়কক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

oooooo

বিজেপিৰ ডিব্ৰুগড়ৰ মাণ্ডলিক কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত কালি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ৰ ছটা বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত বিধায়কসকলক সম্বৰ্ধনা জনায়। অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, ৰামেশ্বৰ তেলী, বিধায়ক তৰংগ গগৈ, চক্ৰধৰ গগৈ, পুলক গোহাঁই আৰু সঞ্জয় কিষাণক সম্বৰ্ধনা জনোৱা হয়। শ্ৰী সোণোৱালে বিধায়কসকলক জনসাধাৰণৰ আস্থাৰ প্ৰতি সন্মান জনাই সেৱা আৰু সমৰ্পণৰ মনোভাৱেৰে কাম কৰি নিজ নিজ সমষ্টিৰ লগতে ৰাজ্যৰ সৰ্বাংগীন উন্নয়নত অৰিহণা যোগাবলৈ আহ্বান জনায়। দুলীয়াজান সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে নিজ নিজ দায়িত্ব পালনেৰে বিধায়কসকলে জনকল্যাণৰ স্বাৰ্থত কাম কৰি যাব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

বাইট (তেলী)

oooooo

অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ আজি জন্মবাৰ্ষিকী। লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰৰ দায়িত্ব পালন কৰা মিত্ৰদেৱ মহন্তই অভিনয়ৰ বাবে সংগীত নাটক একাডেমী বঁটা লাভ কৰিছিল। তেওঁ ১৫ খনকৈ শিশু উপযোগী গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল।

oooooo

চৰাইদেউ জিলাৰ মাহমৰা ৰাজহ চক্ৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ অৱস্থিতি নিশ্চিত হোৱাৰ পাছতে জিলা প্ৰশাসনে জৰুৰী নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ পশু চিকিৎসা বিষয়াৰ পৰা লাভ কৰা

তথ্য অনুসৰি চৰাইদেউৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত লুখৰাখন গাঁৱত এই ৰোগৰ অৱস্থিতি ধৰা পৰিছে। জিলা দণ্ডাধীশ ড০ নেহা যাদৱে জাৰি কৰা নিৰ্দেশনাটোত ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ স্বাৰ্থত মাহমৰা ৰাজহ চক্ৰৰ ভিতৰত গাহৰি পালন বা গাহৰি মাংসৰ বিক্ৰী তথা ক্ৰয় কৰা নিষিদ্ধ কৰিছে। যদি কোনো গাহৰিৰ মৃত্যু হয় তেন্তে ততালিকে স্থানীয় পশু চিকিৎসা বিভাগক গাহৰি পালকে জনাব লাগিব। লগতে গাহৰি মৃতদেহসমূহ জৈৱ সুৰক্ষা বিধি মানি দ' গাঁতত পুতি পেলোৱাৰ ব্যৱস্থা কৰিব লাগিব। নিৰ্দেশনাত সকলো গাহৰি পালকক জৈৱ সুৰক্ষা ব্যৱস্থা মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। এই নিৰ্দেশনা কালিৰ পৰা কাৰ্যকৰী হৈছে আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। নিৰ্দেশনা উলংঘা কৰা লোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাটোত স্পষ্ট উল্লেখ কৰা হৈছে।

০০০০০০

ধুবুৰীৰ বিশেষ পকছ' আদালতে কালি জিলাখনৰ ফকিৰগঞ্জৰ ছাতছিয়া জনকল্যাণ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জালাল উদ্দিন মণ্ডলক ৭ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহে। এগৰাকী নাবালিকা ছাত্ৰীক শাৰীৰিক নিৰ্যাতন চলোৱাৰ অপৰাধৰ গোচৰৰ ৰায় প্ৰদান কৰি আদালতে প্ৰধান শিক্ষকগৰাকীক শাস্তি বিহে। বিশেষ ন্যায়াধীশ আলহাজ মজুমদাৰে দিয়া ৰায় অনুসৰি অভিযুক্তক ১০ হাজাৰ টকাৰ জৰিমনাৰ নিৰ্দেশ দিয়া হৈছে। এই ধন ভুক্তভোগী ছাত্ৰীগৰাকীক প্ৰদান কৰাৰ লগতে ৰাজ্যিক ভুক্তভোগী ক্ষতিপূৰণ আঁচনিৰ অধীনত ছাত্ৰীগৰাকীক এক লাখ টকাৰ ক্ষতিপূৰণ প্ৰদানৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে ২০২১ চনৰ ১০ জুনত বিদ্যালয়খনৰ নৱম শ্ৰেণীৰ এগৰাকী ১৪ বছৰীয়া ছাত্ৰীক বিদ্যালয়ৰ চৌহদতে শাৰীৰিক নিৰ্যাতন চলাইছিল। এই অন্যায় কাৰ্যৰ বিৰুদ্ধে ভুক্তভোগী ছাত্ৰীগৰাকীৰ পৰিয়ালে প্ৰধান শিক্ষকগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাত আদালতে এই ৰায় প্ৰদান কৰে।

০০০০০০

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত সৃষ্টি সিংহৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ সামগ্ৰিক পথ সুৰক্ষা ব্যৱস্থা আৰু শেহতীয়া চৰকাৰী নিৰ্দেশনাসমূহৰ ৰূপায়ণ সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে পথ সুৰক্ষাৰ নিয়মসমূহ কঠোৰভাৱে পালন কৰিবলৈ আৰু জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ সকলো বিভাগকে একত্ৰিতভাৱে কাম কৰাৰ নিৰ্দেশ দিয়ে। যান-বাহনৰ নিয়ম উলংঘাকাৰী চালকৰ বিৰুদ্ধে পৰিবহণ আৰু আৰক্ষী বিভাগক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত ভাস্কৰজ্যোতি বৰা, সহকাৰী আয়ুক্ত তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ডিমা হাচাওৰ অভিভাৱক মন্ত্ৰী কৃষ্ণেন্দু পালে কালি হাফলঙৰ উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যৰ সভাগৃহত এখন বিভাগীয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত শ্ৰী পালে জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ লগতে বাৰিষা কালৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰস্তুতিৰো বুজ লয়। মন্ত্ৰীগৰাকীয়ে সম্ভাব্য বান, খহনীয়া প্ৰতিৰোধৰ উপৰি সময়মতে সঁহাৰি দিয়া তথা কাৰ্যকৰী দুৰ্যোগ ব্যৱস্থাপনা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অভিভাৱক মন্ত্ৰীগৰাকীয়ে পাৰ্বত্য জিলাখনৰ অৰ্থনৈতিক বিকাশ আৰু ৰাজহ বৃদ্ধিৰ বাবে পৰ্যটনক এটা গুৰুত্বপূৰ্ম খণ্ড হিচাপে বিকশাই তোলাৰ প্ৰয়োজনীয়তাৰ আলোকপাত কৰে।

সমূহীয়া প্ৰচেষ্টা আৰু উন্নয়নমূলক পদক্ষেপসমূহৰ কাৰ্যকৰী ৰূপায়ণে অনাগত সময়ত ডিমা হাচাওৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি শ্ৰী পালে আশা প্ৰকাশ কৰে। বৈঠকত মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা, বিধায়ক ৰূপালী লাংথাছাকে ধৰি কেইবাগৰাকী শীৰ্ষ প্ৰশাসনিক বিষয়া উপস্থিত থাকে।

০০০০০০

শিৱসাগৰ জিলাৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অন্তৰ্গত ৰেচন কাৰ্ডৰ হিতাধিকাৰীসকলক অতি শীঘ্ৰে ই-কে ৱাই চি সম্পন্ন কৰিবলৈ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে আহ্বান জনাইছে। বিভাগে জনোৱা মতে ৰেচনৰ সুবিধা লাভ কৰিবলৈ ই-কে ৱাই চি সম্পন্ন কৰাটো বাধ্যতামূলক। হিতাধিকাৰীসকলে নিকটৱৰ্তী সুলভ মূল্যৰ দোকান অথবা সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত গৈ এই প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই এখন প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে প্ৰকাশ কৰিছে।

০০০০০০

ফিফা বিশ্বকাপত যোৱা নিশা টৰণ্টো ষ্টেডিয়ামত ব'ছনিয়া—হাৰ্জেগভিনাৰ বিৰুদ্ধে গ্ৰুপ বিৰ এখন খেল ১-১ গ'লত ড্ৰ' হোৱাত সহ-আয়োজক দেশ কানাডাই প্ৰথমটো পইণ্ট অৰ্জন কৰে। ব'ছনিয়াই খেলখনৰ ২১ মিনিটত প্ৰথমটো গ'ল দিয়াৰ বিপৰীতে কানাডাই ৭৮ মিনিটত প্ৰথমটো গ'ল দিয়ে। প্ৰতিযোগিতাত আজি পুৱা গ্ৰুপ-ডিৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ পেৰাগুৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে ।

০০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলা আজি আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথমখন খেল হিমাচল প্ৰদেশৰ ধৰমশালাত আজি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। বিৰাট কোহলি আঘাতৰ বাবে এই শৃংখলাৰ পৰা বাদ পৰাত ভাৰতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। শুভমন গীলে ভাৰতীয় দলক নেতৃত্বত দিব। শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৭ জুনত লক্ষ্ণৌত আৰু তৃতীয় তথা অন্তিমখন খেল অহা ২০ জুনত চেন্নাইত অনুষ্ঠিত হ'ব।

০০০০০০

অসমত সৌৰ শক্তি উৎপাদনৰ সামৰ্থ্য ৬৮০ মেগাৱাটলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ৰ পৰা আয়ুষ্মান ভাৰত - প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সুবিধা পুনৰ হ্ৰাস কৰা হৈছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পশ্চিম এছিয়াত চলি থকা যুদ্ধৰ প্ৰভাৱৰ ফলত দেশৰ লগতে অসমৰ কৰ্কট চিকিৎসালয় সমূহত ঔষধৰ নাটনি হৈছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কৃত্ৰিম বুদ্ধিমত্তা দাতা চেন্টাৰ সমূহত বিদ্যুৎৰ চাহিদা ক্ৰমাৎ বৃদ্ধি হোৱাত পৰ্যাপ্ত পৰিমাণৰ পানীৰ প্ৰয়োজন হব। ইয়াৰ ফলত বিশ্বত জলসংকতৰ সৃষ্টি হোৱাৰ আশংকা প্ৰকাশ পাইছে। এখন গৱেষণা পত্ৰৰ উদ্ধৃতিৰে নিয়মীয়া বাৰ্তা কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অস্ত্ৰোপচাৰ অবিহনেই হৃদযন্ত্ৰত পেছমেকাৰ সংস্থাপন কৰিব পৰা যাব বুলি অসমীয়া খবৰ কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। লোকসভাৰ ১৭০ তা বৃহৎ সমষ্টিক দুই ত্ৰিবিভক্ত কৰি ৮২৪ তালৈ বৃদ্ধি কৰাৰ পৰামৰ্শ দিয়া হৈছে কেন্দ্ৰীয় চৰকাৰক। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত বান প্ৰতিৰোধ কৰিবলৈ ৯ খন জিলাত ১৫ খন আৰ্দ্ৰভূমি পুনৰুজ্জীৱীতকৰণৰ

সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজ্যৰ জল সম্পদ বিভাগে। এই বাতৰিটো The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পেট্ৰোলিয়াম মন্ত্ৰালয়ৰ সিদ্ধান্ত অনুসৰি, ২০০ লিটাৰতকৈ অধিক ডিজেল এজন গ্ৰাহকে ক্ৰয় কৰিব নোৱাৰিব। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠান সমূহত শিক্ষাৰ্থীৰ। নামভৰ্তি ৪% হ্ৰাস পাইছে। এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় পাঁচআলি নিবাসী, বিশিষ্ট ব্যৱসায়ী তথা উজনি অসমৰ অন্যতম খেলৰ সামগ্ৰীৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী মুহিদুৰ ৰহমানৰ কালি সন্ধিয়া মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৫ বছৰ। আজিৰ তেওঁৰ জানাজা আমোলাপট্টি কবৰস্থানত সম্পন্ন হ'ব বুলি পৰিয়ালৰ সূত্ৰই জনাইছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনিৰে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**